DAILY ASSAM



নৱম অধ্যায়

# জীৱন্ত দলিলৰ ৰূপত সংবিধান

# (CONSTUTION AS A LIVING DOCUMENT)

**পৰিচয়**

*এই অধ্যায়ত তোমালোকে যোৱা ৫৫ বছৰত ভাৰতীয় সংবিধানৰ কাৰ্য্যকাৰিতা আৰু বৰ্তমানো এই সংবিধানে ভাৰতবৰ্ষক কেনেকৈ পৰিচালনা কৰি আছে সেই বিষয়ে জানিব পাৰিবা। এই অধ্যায়টি পঢ়াৰ পাছত তোমালোকে দেখিবা যে—*

- *সময়ৰ প্ৰয়োজন অনুসৰি ভাৰতীয় সংবিধানখন সংশোধন কৰিব পাৰি।*
- *এতিয়ালৈকে এনে বহু সংশোধন হৈছে যদিও সংবিধানখন অক্ষত হৈ আছে আৰু ইয়াৰ মূল নীতিসমূহ সলনি হোৱা নাই।*
- *সংবিধানখন সুৰক্ষা দিয়াত আৰু তাৰ ব্যাখ্যা কৰাত ন্যায়পালিকাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।*
- *সংবিধানখন এনে এক দলিল যি পৰিবৰ্তিত পৰিস্থিতিৰ লগত সঙ্গতি ৰাখি বিকশিত হৈ আহিছে।*

DAILY ASSAM



যোৱা দুটা শতিকাত ফ্ৰান্স দেশৰ অসংখ্য সংবিধান আছিল। বিপ্লবৰ পাছত আৰু নেপোলিয়নৰ ৰাজত্ব কালত ফ্ৰান্সত সংবিধানক লৈ অহৰহ পৰীক্ষা নিৰীক্ষা চলিছিল। বিপ্লবোত্তৰ ১৭৯৩ চনৰ সংবিধানখনক ফৰাচী প্ৰজাতন্ত্ৰৰ কাল বুলি জনা যায়। ১৮৪৮ চনত দ্বিতীয় ফ্ৰান্স প্ৰজাতন্ত্ৰ আৰম্ভ হয়। ১৮৭৫ চনত এখন নতুন সংবিধানেৰে ৩য় ফ্ৰান্স প্ৰজাতন্ত্ৰ গঠন কৰা হয়। ১৯৪৫ চনত এখন নতুন সংবিধানেৰে ৪ৰ্থ ফ্ৰান্স প্ৰজাতন্ত্ৰ গঠন হয়। অৱশেষত, ১৯৫৮ চনত আকৌ এখন নতুন সংবিধানেৰে সৈতে ৫মঃ ফ্ৰান্স প্ৰজাতন্ত্ৰ গঠন হয়।



*মোৰ এনে ভাব হৈছে যে সাংবিধানিক পৰিবৰ্তন ৰাজনৈতিক বিকাশৰ লগত অতি ঘনিষ্ঠভাবে সাঙোৰ খাই আছে।*

## সংবিধানবোৰ স্থবিৰ নেকি? (Are Constitutions Static?)

পৰিবৰ্তিত পৰিস্থিতি, সমাজৰ প্ৰচলিত ধাৰণাৰ পৰিবৰ্তন বা ৰাজনৈতিক উত্থান পতনৰ বাবেও জাতিসমবহে তেওঁলোকৰ সংবিধান পুনৰ ৰচনা কৰাটো নতুন কথা নহয়। চোভিয়েট যুক্তৰাষ্ট্ৰৰ ৭৪ বছৰীয়া জীৱনকালত (১৯১৮, ১৯২৪, ১৯৩৬ আৰু ১৯৭৭) চাৰিখন সংবিধান আছিল। ১৯৯১ চনত চোভিয়েত যুক্তৰাষ্ট্ৰত সাম্যবাদী দলৰ শাসনৰ সমাপ্তি ঘটে আৰু চোভিয়েট যুক্তৰাষ্ট্ৰখন ভাঙি (distintegratod) যায়। এই ৰাজনৈতিক প্ৰলয়ৰ পাচত নবগঠিত ৰুচ যুক্তৰাষ্ট্ৰই ১৯৯৩ চনত এখন নতুন সংবিধান গ্ৰহণ কৰে।

কিন্তু ভাৰতলৈ চোৱা। ভাৰতৰ সংবিধানখন ১৯৪৯ চনৰ ২৬ নবেম্বৰৰ দিনা গৃহিত হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰাই আনুষ্ঠানিকভাবে বলবৎ হয়। তাৰ পাচত ৫৫ বছৰতকৈও অধিককাল সেই একেখন সংবিধানেই আমাৰ দেশৰ চৰকাৰে কাৰ্য্যনিৰ্বাহ কৰি অহা কাঠামো বা আধাৰ (frame work) হিচাবে চলি আহিছে।

তেন্তে কথাটো এনেকুৱা নেকি যে আমাৰ সংবিধানখন ইমান ভাল যে ইয়াক সলনি কৰাৰ প্ৰয়োজন নাই! অথবা আমাৰ সংবিধান প্ৰনেতা সকল ইমান দূৰদৰ্শী আৰু জ্ঞানী আছিল নেকি যে ভৱিষ্যতে হব পৰা সকলো পৰিবৰ্তনৰ বিষয়ে তেওঁলোক সজাগ আছিল। এফালৰ পৰা চাবলৈ গলে এই দুয়োটা উত্তৰেই সত্য। এইটো সঁচা যে

DAILY ASSAM



আমি এখন বৰ শক্তিশালী (robust) সংবিধানৰ উত্তৰাধিকাৰী। সংবিধানৰ মূল গাঁথনি আমাৰ দেশৰ বাবে খুবেই উপযোগী। এইটোও সঁচা যে সংবিধান প্ৰণেতাসকল অতি দূৰদৰ্শী আছিল আৰু ভৱিষ্যৎ পৰিস্থিতিৰ বাবে বহুতো সমাধান আগবঢ়াইছিল। কিন্তু কোনো সংবিধানেই সকলো পৰিণামৰ বাবে উপযোগী হব নোৱাৰে। এনে কোনো দলিল নাই যাৰ কোনো সলনিৰ আৱশ্যক নাই।

তেনেহলে আমাৰ দেশত একেখন সংবিধানেই কেনেকৈ চলি আছে? এই প্ৰশ্নৰ এটা উত্তৰ হ'ল যে আমাৰ সংবিধানখনে সমাজৰ পৰিবৰ্তনশীল আৱশ্যকতাৰ লগত সঙ্গতি ৰাখি সংশোধন হব লাগে বুলি মানি লৈছে। দ্বিতীয়তে, কাৰ্য্যকৰী কৰোঁতে যথেষ্ট নমনীয়তাৰে তাৰ অৰ্থ ব্যাখ্যা কৰা হৈছে। ৰাজনৈতিক প্ৰথা আৰু ন্যায়িক সিদ্ধান্ত প্ৰয়োগ কৰোতে সংবিধানে পৰিপক্কতা আৰু নমনীয়তাৰ প্ৰমাণ দিছে। এই উপাদানসমূহে আমাৰ সংবিধানখনক স্থবিৰ টোকাবহীৰ পৰিবৰ্তে জীৱন্ত দলিলত (living document) পৰিণত কৰিছে।

যি কোনো সমাজৰ কোনো এক নিৰ্দিষ্ট সময়ত সংবিধান প্ৰণেতাসকল এক সাধাৰণ প্ৰত্যাহ্বানৰ সন্মুখীন হব লগা হয়, সংবিধানখন ৰচনা কৰাৰ সময়ত সেই সময়ৰ সমাজে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ বাবে কি প্ৰচেষ্টা লোৱা হৈছিল স্বাভাৱিকতে সংবিধানখনে তাৰ প্ৰতিফলন কৰিব। একে সময়তে সংবিধানখন ভৱিষ্যৎ চৰকাৰৰ বাবে কাঠামো (frame work) স্বৰূপ হ'ব লাগিব। এই অৰ্থত, সংবিধান সদায় সমসাময়িক আৰু স্থায়ী গুৰুত্ব থকা হব লাগিব।

সেই একে সময়তে, এখন সংবিধান অস্পৰ্শনীয় (froxen) আৰু অপৰিবৰ্তনীয় দলিল নহয়। ই মানৰ সৃষ্টি আৰু সেয়ে সংস্কাৰ আৰু পুনৰীক্ষণ (re-examination) ৰ প্ৰয়োজন হব পাৰে। এইটো সচাঁ যে সংবিধানে সংশ্লিষ্ট সমাজৰ সপোন আৰু আশা আকাঙ্খা প্ৰতিফলিত কৰে। ইয়াকো মনত ৰাখিব লাগিব যে সংবিধান হ'ল সমাজৰ গণতান্ত্ৰিক প্ৰশাসনৰ এক গাঁথনি। এই অৰ্থত, ই হ'ল সমাজে নিজৰ বাবে সৃষ্টি কৰা এক আহিলা।



*মই জানো যে আমেৰিকাৰ সংবিধানখন ২০০ বছৰৰো পুৰণি আৰু এতিয়ালৈকে ইয়াক মাত্ৰ ২৯ বাৰহে সংশোধন কৰা হৈছে। ই বৰ আমোদজনক নহয়নে?*

DAILY ASSAM



সংবিধানৰ এই দ্বৈত ভূমিকাই সংবিধানৰ মৰ্য্যদা সম্বন্ধে সদায় জটিল প্রশ্নৰ উত্থাপন কৰে। ই ইমান পৱিত্ৰ নে যে কেতিয়াও কোনেও ইয়াক সলনি কৰিব নোৱাৰে? আন ধৰণে চাবলৈ গলে, ই ইমান সাধাৰণ আহিলা নে যে আন যি কোনো সাধাৰণ আইনৰ দৰে ইয়াক সংশোধন কৰিব পৰা যায়?

ভাৰতীয় সংবিধান প্ৰণেতাসকল এই সমস্যা সম্বন্ধে সজাগ আছিল আৰু এক ভাৰসাম্য সৃষ্টি কৰিব বিচাৰিছিল। তেওঁলোকে সংবিধানখনক সাধাৰণ আইনতকৈ ওপৰত স্থান দিছিল আৰু আশা কৰিছিল যে ভৱিষৎ প্ৰজন্মসমূহে এই দলিলখনক সন্মান জনাব। একে সময়তে, তেওঁলোকে বুজিছিল যে, ভৱিষ্যতে এই দলিলখনৰ সংস্কাৰৰ প্ৰয়োজন হ'ব পাৰে। আনকি সংবিধানখন লিখাৰ সময়তো বহুতো বিষয়ত তেওঁলোকৰ মাজত থকা মতানৈক্যৰ বিষয়ে তেওঁলোক সজাগ আছিল। যেতিয়াই সমাজে কোনো এক বিশেষ মতামতৰ ফালে দিশ সলাব, সাংবিধানিক ব্যৱস্থাসমূহৰ পৰিবৰ্তনৰ প্ৰয়োজন হ'ব। সেয়েহে দেখা যায় যে ভাৰতীয় সংবিধানখন ওপৰত উল্লেখিত এই দুয়োটা দৃষ্টিভঙ্গীৰ সংমিশ্ৰণ যে সংবিধানখন এক পৱিত্ৰ দলিল আৰু এনে এক আহিলা যে সময়ৰ লগে লগে ইয়াৰ পৰিবৰ্তনৰ প্ৰয়োজন হ'ব পাৰে। আন কথাত, আমাৰ সংবিধানখন স্থবিৰ দলিল মাত্ৰ নহয়, ই সকলো বিষয়তে শেষ কথা নহয়, ই অপৰিবৰ্তনীয় নহয়।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

ওপৰৰ খণ্ডটি পঢ়াৰ পিছত, শ্ৰেণীটোৰ ভালেমান ছাত্ৰক বিভ্ৰান্ত যেন দেখা গ'ল তেওঁলোকে তলৰ উক্তিবোৰ কৰিলে, এই উক্তিসমূহৰ বিষয়ে তোমাৰ মতামত কি?

- সংবিধান আন যি কোনো এখন আইনৰ নিচিনা। আমাক ই মাথোন চৰকাৰক পৰিচালনা কৰা নিয়ম নীতিবোৰৰ বিষয়ে শিক্ষা দিয়ে।
- সংবিধান জনসাধাৰণৰ ইচ্ছাৰ প্ৰতিফলন। গতিকে প্ৰতি দহ পোন্ধৰ বছৰৰ মূৰে মূৰে সংবিধান পৰিবৰ্তনৰ ব্যৱস্থা থাকিবই লাগিব।
- সংবিধান হ'ল দেশৰ দৰ্শনৰ বিষয়ে এটা উক্তি। ইয়াক কেতিয়াও সলনি কৰিব নোৱাৰি।
- সংবিধানখন এক পৱিত্ৰ দলিল। গতিকে ইয়াক সলনি কৰা মানেই গণতন্ত্ৰৰ পৰিপন্থী।

DAILY ASSAM



## সংবিধানখন কেনেকৈ সংশোধন কৰা হয়? How to Amend the Constitution?)

***৩৬৮ নং অনুচ্ছেদ***

***এই অনুচ্ছেদত থকা পদ্ধতিৰে সংসদে সংযোগ সলনি বা ৰদ কৰি সাংবিধানিক ক্ষমতা প্ৰয়োগৰ দ্বাৰা সংবিধানৰ যি কোনো ব্যৱস্থা সংশোধন কৰিব পাৰে।***

আমি দেখিলো যে আমাৰ সংবিধান প্ৰণেতাসকলে এটা ভাৰসাম্য ৰাখিব বিচাৰিছিল। প্ৰয়োজন সাপেক্ষে সংবিধান সংশোধন কৰিবই লাগিব। কিন্তু ইয়াক অপ্ৰয়োজনীয় আৰু সঘন পৰিবৰ্তনৰ পৰা ৰক্ষা কৰিব লাগিব। আন কথাত, তেওঁলোকে সংবিধানখন একে সময়তে 'নমনীয়' বা সহজ আৰু 'অনমনীয়' বা দৃঢ় হোৱাটো বিচাৰিছিল। নমনীয় মানে পৰিবৰ্তনশীল আৰু অনমননীয় মানে অপৰিবৰ্তনীয় বুজায়। যি সংবিধান অতি সহজে পৰিবৰ্তন বা সংশোধন কৰিব পাৰি তাক প্ৰায়ে নমনীয় বোলা হয়। যিবিলাক সংবিধানৰ সংশোধন প্ৰক্ৰিয়া অতি জটিল তাক অনমনীয় বোলা হয়। ভাৰতীয় সংবিধান এই দুয়োটা বৈশিষ্ট্যৰে সংমিশ্ৰণ।



*এখন সংবিধান সহজ বা জটিল কেনেকৈ হয় মই বুজি নাপাওঁ। সংবিধান এখন দৃঢ় বা সহজ হোৱাতো সেই সময়ৰ ৰাজনীতিৰ ওপৰত নিৰ্ভৰ নকৰে জানো?*

সংবিধান প্ৰণেতাসকলে সংবিধানখনত কিছুমান দোষ বা ভুল থাকিব পাৰে বুলি বুজি পাইছিল, তেওঁলোকেজানিছিল যে সংবিধানখন সম্পূৰ্ণ নিৰ্ভুল হব নোৱাৰে। যেতিয়াই এনে ভুল পোহৰলৈ আহিব, সংবিধানখন সহজতে সংশোধন কৰি ভুলবোৰ শুধৰোৱাৰ তেওঁলোক পক্ষপাতী আছিল। সংবিধানখনৰ কিছুমান ব্যৱস্থা অস্থায়ী প্ৰকৃতিৰ আছিল আৰু নতুন সংসদ নিৰ্বাচিত হোৱাৰ লগে লগে তাক সলনি কৰাৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু লগতে সংবিধানে এক যুক্তৰাষ্ট্ৰীয় প্ৰশাসন ব্যৱস্থা কৰিছিল বাবে ৰাজ্যসমূহৰ সন্মতি নোলোৱাকৈ ৰাজ্যসমূহৰ অধিকাৰ আৰু ক্ষমতা সলনি কৰিব পৰা নগৈছিল। অন্য কিছুমান বৈশিষ্ট্য সংবিধানৰ মূল উদ্দেশ্যৰ লগত ইমান

DAILY ASSAM



বেছি ঘনিষ্টভাৱে জড়িত আছিল যে সংবিধান প্ৰণেতাসকলে তাক অপৰিৱৰ্তনীয় কৰি ৰাখিবলৈ তৎপৰ আছিল। এই ব্যৱস্থাসমূহক জটিল কৰি ৰাখিবলগীয়া হৈছিল। এই বিবেচনাবোৰে সংবিধান সংশোধনৰ বিভিন্ন প্ৰক্ৰিয়াৰ জন্ম দিছিল।

**সংবিধান কেনেকৈ সংশোধন কৰা হয়**

- সাধাৰণ আইনৰ দৰে, সংসদৰ সাধাৰণ সংখ্যাগৰিষ্ঠতা, কিছুমান অনুচ্ছেদত উল্লেখ কৰাৰ দৰে
- ৩৬৮ নং অনুচ্ছেদ অনুসৰি সংসদৰ দুয়োটা সদনতে সুকীয়াকৈ বিশেষ সংখ্যাগৰিষ্ঠতা
- বিশেষ সংখ্যাগৰিষ্ঠতা + ৰাজ্যসমূহৰ অৰ্দ্ধেক বিধান মণ্ডল! ৩৬৮ নং অনুচ্ছেদ

সংবিধানত এনে বহুতো অনুচ্ছেদ আছে যিবোৰ সংশোধন কৰিবৰ বাবে সাধাৰণ আইন প্ৰণয়ন পদ্ধতি গ্ৰহণ কৰা হয়। এনেবোৰ ক্ষেত্ৰত কোনো বিশেষ সংবিধান সংশোধনী পদ্ধতিৰ প্ৰয়োজন নহয় আৰু সংবিধান সংশোধন আৰু সাধাৰণ আইনৰ মাজত কোনো পাৰ্থক্য নাথাকে। সংবিধানৰ এইবোৰ অংশ অতি নমনীয়। তলত দিয়া সংবিধানৰ কিছুমান অনুচ্ছেদৰ পাঠাংশ (text) ভালদৰে পঢ়া। এই দুয়োটা অনুচ্ছেদৰে 'আইনৰ দ্বাৰা' শব্দকেইটাই ৩৬৮ নং অনুচ্ছেদৰ সহায় নোলোৱাকৈ সংসদে তাক সলনি কৰিব পৰা বুজাইছে। সংবিধানৰ আন বহুতো অনুচ্ছেদ সংসদে এই সহজ পদ্ধতিৰে সংশোধন কৰিব পাৰে।

*২ নং অনুচ্ছেদঃ সংসদে আইনৰ দ্বাৰা নতুন ৰাজ্য কেন্দ্ৰৰ অন্তৰ্ভূক্ত কৰিব পাৰে।*

*৩ নং অনুচ্ছেদঃ সংসদে আইনৰ দ্বাৰা...*
*(b) যি কোনো ৰাজ্যৰ সীমা বঢ়াব পাৰে।*

DAILY ASSAM



বেলেগ দফা সংবিধানৰ বাকী অংশৰ সংশোধনৰ বাবে ৩৬৮ নং অনুচ্ছেদত ব্যৱস্থা ৰখা হৈছে। এই অনুচ্ছেদত দুটা সংশোধন পদ্ধতি আছে আৰু সংবিধানৰ দুটা ভিন্ন প্ৰকৃতিৰ অনুচ্ছেদৰ ক্ষেত্ৰত ই প্ৰযোজ্য। এটা পদ্ধতিৰ মতে সংসদৰ দুয়োটা সদনৰ বিশেষ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা সংশোধন কৰিব পৰা যায়। দ্বিতীয় পদ্ধতিটো অধিক জটিল। সংসদৰ বিশেষ সংখ্যাগৰিষ্ঠতাৰ উপৰিও ইয়াত ৰাজ্য বিধানমণ্ডলসমূহৰ অন্ততঃ আধা সংখ্যকৰ অনুমোদনৰ প্ৰয়োজন হয়। মন কৰিবা যে সংবিধানৰ সকলো সংশোধনী প্ৰস্তাৱ কেৱল সংসদতহে উত্থাপন কৰিব পাৰি।

তাৰোপৰি সংসদৰ বিশেষ সংখ্যাগৰিষ্ঠতা মানে কোনো বাহিৰা সংগঠন যেনে সংবিধান আয়োগ বা সুকীয়া গোট নোহোৱাকৈ সংশোধন কৰাটো বুজায়। সেইদৰে, সংসদত গৃহীত হোৱাৰ পিছত আৰু কিছুমান ক্ষেত্ৰত ৰাজ্যিক বিধানমণ্ডলত গৃহীত হোৱাৰ পিছত সংশোধনৰ অনুমোদনৰ বাবে কোনো গণভোটৰ (referendum) প্ৰয়োজন নহয়। আন সকলো বিধেয়কৰ দৰে সংশোধনী বিধেয়কো ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে পঠিওৱা হয়। কিন্তু এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে ইয়াক পুনৰ বিবেচনাৰ বাবে ঘূৰাই পঠাব নোৱাৰে। এই বিস্তৃত আলোচনাই সংশোধন প্ৰক্ৰিয়া কিমান দৃঢ় আৰু জটিল হব পাৰে তাক দেখুৱায়। আমাৰ সংবিধানে এনে জটিলতাবোৰ পৰিত্যাগ কৰে। ই সংশোধন পদ্ধতি তুলনামূলকভাবে সহজ কৰি তুলিছে। তাতকৈও ডাঙৰ কথা, এই পদ্ধতিত এটা গুৰুত্বপূৰ্ণ নীতি লুকাই আছে; কেৱল নিৰ্বাচিত জন প্ৰতিনিধি সকলেহে সংশোধনৰ প্ৰশ্ন বিবেচনা কৰিব আৰু সিদ্ধান্ত লব পাৰে। সেয়েহে, নিৰ্বাচিত জনপ্ৰতিনিধি সকলৰ সাৰ্বভৌমত্ব (সংসদীয় সাৰ্বভৌমত্ব) সংশোধন পদ্ধতিৰ ভেটি।



*যদি কিছুসংখ্যক ৰাজ্যই সংবিধানৰ সংশোধন বিচাৰে তেতিয়া কি হ'ব? তেওঁলোকে সংশোধনী প্ৰস্তাৱ আনিব নোৱাৰে নেকি? মই ভাৱো ৰাজ্যৰ তুলনাত কেন্দ্ৰক অধিক অনুগ্ৰহ দেখুওৱাৰ ই আন এটা উদাহৰণ।*

### বিশেষ সংখ্যাগৰিষ্ঠতা (Special Majority)

নিৰ্বাচন, কাৰ্য্যপালিকা আৰু ন্যায়পালিকা সম্বন্ধীয় অধ্যায়সমূহত আমি

DAILY ASSAM



'বিশেষ সংখ্যাগৰিষ্ঠতা'ৰ প্ৰয়োজন হোৱা ব্যৱস্থাসমূহ পাই আহিছো। সাধাৰণতে, বিধানমণ্ডলৰ সকলো কামতে এটা প্ৰস্তাৱ বা বিধেয়ক গৃহিত হবলৈ উপস্থিত সদস্যৰ সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন। ধৰি লোৱা যে এখন বিধেয়কৰ ওপৰত ভোটদানৰ সময়ত সদনত ২৪৭ জন সদস্য উপস্থিত আছিল আৰু ভোটদান কৰোতে সকলো সদস্যই অংশগ্ৰহণ কৰিছিল। যদি অন্ততঃ ১২৪ জন সদস্য বিধেয়ক খনৰ সপক্ষে ভোট দিয়ে তেনেহ'লে বিধেয়কখন গৃহীত হব। সংশোধনী বিধেয়কৰ ক্ষেত্ৰত কিন্তু তেনে নহয়। সংবিধান সংশোধনৰ বাবে দুই ধৰণৰ বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হয়; প্ৰথমতে, সংশোধনী বিধেয়কখনৰ সপক্ষে সদনৰ মুঠ সদস্যৰ অন্ততঃ ১/৩ সংখ্যকৰ সমৰ্থন থাকিব লাগিব। দ্বিতীয়তে, উপস্থিত ভোটদাতা সদস্যৰ অন্ততঃ ২/৩ অংশই সংশোধনত অনুমোদন জনাব লাগিব। সংশোধনী বিধেয়ক এই একে পদ্ধতিৰে সংসদৰ দুয়োটা সদনে সুকীয়াকৈ গ্ৰহণ কৰিব লাগিব। (যুটীয়া অধিবেশনৰ কোনো ব্যৱস্থা নাই) প্ৰতিখন সংশোধনী বিধেয়কৰ বাবে এই বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন।

এই প্ৰয়োজনীয়তাৰ তাৎপৰ্য্য তুমি বুজিব পাৰিছানে? লোকসভাত ৫৪৫ জন সদস্য আছে। গতিকে কমপক্ষেও ২৭৩ জন সদস্যই সমৰ্থন কৰিলেহে সংশোধন গৃহীত হব। আনকি যদি ভোটদানৰ সময়ত মাত্ৰ ৩০০ জন সদস্যহে উপস্থিত থাকে, সংশোধনী বিধেয়খনে তেওঁলোকৰ ২৭৩ জনৰ সমৰ্থন পাব লাগিব। কিন্তু কল্পনা কৰা যে লোকসভাৰ ৪০০ জন সদস্যই এখন সংশোধনী বিধেয়কত ভোটদান কৰিছে। বিধেয়কখন গৃহীত হবলৈ কিমানজন সদস্যই বিধেয়কখন সমৰ্থন কৰিব লাগিব?

তাৰোপৰি, দুয়োটা সদনে (বিশেষ সংখ্যাগৰিষ্ঠতাৰে) সংশোধনী বিধেয়কখন গৃহীত কৰিব লাগিব। ইয়াৰ অৰ্থ হ'ল যে যেতিয়ালৈকে প্ৰস্তাবিত সংশোধনীখনত যথেষ্ট সহমত নহয়, ই গৃহীত নহয়। যদি ক্ষমতাত থকা দলৰ অতি শীৰ্ন সংখ্যাগৰিষ্ঠতা (thin majority) থাকে, ই নিজৰ পছন্দৰ আইন গৃহীত কৰিব পাৰে আৰু বিৰোধী দলে সমৰ্থন নকৰিলেও বাজেট অনুমোদিত কৰাই লব পাৰে। সংবিধান সংশোধন কৰিবলৈ হলে শাসক অন্ততঃ কেইটামান বিৰোধী দলক আস্থাত লব লাগিব। দলে সেইবাবে, সংশোধনী পদ্ধতিৰ আঁৰত থকা মূল নীতিটো হ'ল যে ই ৰাজনৈতিক দল আৰু সাংসদসকলৰ ব্যাপক সমৰ্থনৰ ওপৰত ভিত্তি কৰা হব লাগে।

DAILY ASSAM



বেচিভাগ আধুনিক সংবিধানৰ সংশোধনী প্ৰক্ৰিয়া দুটা নীতিৰে পৰিচালিত হয়।

- এটা হ'ল বিশেষ সংখ্যাগৰিষ্ঠতাৰ নীতি, উদাহৰণ স্বৰূপে; আমেৰিকা, দক্ষিণ আফ্ৰিকা, ৰাছিয়া আদি দেশৰ সংবিধানৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য। আমেৰিকাৰ সংবিধানৰ ক্ষেত্ৰত, ই ২/৩ ভাগ সংখ্যাগৰিষ্ঠতা, আনহাতে দক্ষিণ আফ্ৰিকা আৰু ৰাছিয়াত কিছুমান সংশোধনৰ বাবে ৩/৪ অংশ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হয়।
- বহুতো জনপ্ৰিয় আধুনিক সংবিধানে গ্ৰহণ কৰা দ্বিতীয় নীতিটো হ'ল সংবিধান সংশোধন পদ্ধতিত জনসাধাৰণৰ অংশগ্ৰহণ। চুইজাৰলেণ্ডত, জনসাধাৰণে আনকি সংশোধনী প্ৰস্তাৱ আনিবও পাৰে। জনসাধাৰণে প্ৰবৰ্তন বা অনুমোদন কৰা সংবিধান সংশোধনীৰ উদাহৰণ হ'ল ৰাছিয়া, ইটালী আৰু অন্যান্য।



*মই বিশেষ সংখ্যাগৰিষ্ঠতা কথাটোতে বিৰক্ত হৈ পৰিছোঁ। ই সকলো সময়তে জটিল গণনা কৰিবলৈ বাধ্য কৰে। এয়া ৰাজনীতি নে গণিত?*

"যি সকল লোকে সংবিধানক লৈ অসন্তুষ্ট তেওঁলোকক কেৱল ২/৩ অংশ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন। যদি তেওঁলোকে তাকে কৰিব নোৱাৰে তেনেহলে তেওঁলোকে জনসাধাৰণ সংবিধানক লৈ হোৱা অসন্তুষ্টিৰ অংশীদাৰী হ'ব বুলি আশা কৰিব নোৱাৰি"।



ড° আম্বেদকাৰ
CAD Vol XI, p 976

*মন কৰা যে ড° আম্বেদকাৰে ইয়াত সংসদীয় সংখ্যাগৰিষ্ঠতাৰ কথা কোৱা নাই। তেওঁ (মতামত সমূহ) সাধাৰণ জনতাই সমানে ভগাইলোৱা বুজাইছে। ই দেখুৱাইছে যে সংখ্যাগৰিষ্ঠতাৰ আঁৰত আছে সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ বিস্তাৰ কৰা জনমতৰ নীতি।*

DAILY ASSAM



ৰাজ্যসমূহৰ দ্বাৰা অনুমোদন (Ratification by States)

সংবিধানৰ কিছুমান অনুচ্ছেদ সংশোধনৰ কাৰণে বিশেষ সংখ্যাগৰিষ্ঠতা যথেষ্ট নহয়। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতা বিভাজন বা প্ৰতিনিধিত্ব সম্বন্ধীয় অনুচ্ছেদসমূহৰ সংশোধনী প্ৰস্তাবৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ লগত আলোচনা কৰা আৰু সিবিলাকৰ সন্মতি লোৱা প্ৰয়োজন হৈ পৰে। আমি সংবিধানৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ বিষয়ে পঢ়িছো। যুক্তৰাষ্ট্ৰবাদে ৰাজ্যসমূহ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ভৰশীল হৈ থাকিব লগীয়া নোহোৱাটোকে বুজায়। সংশোধন বলবৎ হোৱাৰ আগতে আধাসংখ্যক ৰাজ্যিক বিধানমণ্ডলে সংশোধনী বিধেয়ক গ্ৰহণ কৰিব লাগিব— এই ব্যৱস্থাটোৱে সংবিধানে ইয়াক সুনিশ্চিত কৰিছে। যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাসমূহৰ উপৰিও মৌলিক অধিকাৰ সম্বন্ধীয় ব্যৱস্থাসমূহকো এই উপায়েৰে সংৰক্ষণ কৰা হৈছে। আমি কব পাৰো যে সংবিধানৰ কিছুমান অংশৰ বাবে ব্যৱস্থাটোৰ ব্যাপক সহমত বাঞ্ছনীয়। এই ব্যৱস্থাই ৰাজ্যসমূহক সন্মান জনাইছে আৰু সংশোধনী প্ৰক্ৰিয়াত ৰাজ্য বিলাকক অংশগ্ৰহণৰ সুবিধা দিছে। আনহাতে ইয়াৰ জটিল আকৃতিৰ মাজতো এই পদ্ধতি কিছু সৰল কৰিবলৈ চেষ্টা কৰা হৈছে; কেৱল অৰ্দ্ধেক ৰাজ্যৰ সন্মতি আৰু বিধানমণ্ডলৰ সাধাৰণ সংখ্যাগৰিষ্ঠতা হলেই যথেষ্ট। গতিকে, এই কটকটীয়া চৰ্ত বিবেচনা কৰিলেও সংশোধন পদ্ধতি অসম্ভৱ বা দুৰূহ নহয়।

আমি এনেকৈ সামৰিব পাৰোঁ যে ভাৰতৰ সংবিধানখন বৃহৎ পৰিমাণৰ সহমত আৰু ৰাজ্যসমূহৰ সীমিত অংশগ্ৰহণৰ জৰিয়তে সংশোধন কৰিব পাৰি। প্ৰতিষ্ঠাপক পিতৃসকলে সংবিধানখন যাতে সহজতে অনুকূল কৰিব নোৱাৰি তাৰ বাবে চেষ্টা কৰিছিল তথাপিও ভৱিষৎ প্ৰজন্মক সময়ৰ প্ৰয়োজন অনুসৰি সংবিধান সংশোধন আৰু সলনি কৰাৰ অধিকাৰ দিয়া হৈছিল।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

**ভাৰতৰ সংবিধানৰ নিম্নলিখিত সংশোধন কৰিবলৈ কি কি চৰ্ত পূৰণ কৰিব লাগিব? তালিকাখনত প্ৰয়োজন অনুসৰি দাগ দিয়া।**

DAILY ASSAM



| সংশোধনৰ বিষয় | বিশেষ সংখ্যাগৰিষ্ঠতা | ৰাজ্যসমূহৰ দ্বাৰা অনুমোদন |
|---|---|---|
| নাগৰিকত্বৰ ব্যৱস্থাসমূহ | | |
| ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ | | |
| কেন্দ্ৰীয় সূচীত হোৱা পৰিবৰ্তন | | |
| ৰাজ্যৰ সীমা পৰিবৰ্তন | | |
| নিৰ্বাচন আয়োগ সম্বন্ধীয় ব্যৱস্থাসমূহ | | |

## সংবিধানৰ ইমানবোৰ সংশোধনৰ প্ৰয়োজন কিয় হ'ল? (Why have there been So many Amendments?)

২০০৬ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতৰ সংবিধানে ৫৬ বছৰ পূৰ্ণ কৰিলে। এই ৫৬ বছৰত ইয়াক ৯৩ বাৰ সংশোধন কৰা হয়। সংবিধান সংশোধনৰ তুলনামূলকভাবে জটিল প্ৰক্ৰিয়ালৈ চাই সংশোধনৰ সংখ্যাটো যথেষ্ট বেছি যেন লাগে। কেনেকৈনো ইমানবোৰ সংশোধন হ'ল আৰু তাৰ অৰ্থ কি চাওঁচোন আহা।

প্ৰথমে আমি সংশোধনৰ চমু ইতিহাসলৈ চাওঁ আহা। তলৰ ৰেখাচিত্ৰটোলৈ সাৱধানে লক্ষ্য কৰা। দুটা পৃথক ধৰণে একেটা তথ্য দাঙি ধৰা হৈছে। প্ৰথম ৰেখাচিত্ৰটিত প্ৰতি ১০ বছৰৰ মূৰে মূৰে সংবিধান সংশোধনীৰ সংখ্যা দেখুওৱা হৈছে। দীঘল ৰেখাচিত্ৰই ১০টা সংশোধন হোৱা বছৰবোৰ দেখুৱাইছে। ২য় ৰেখাচিত্ৰটোৱে ১০টা সংশোধনীৰ বাবে লোৱা সময়সীমা দেখুৱাইছে। তোমালোকে দেখিবা যে ১৯৭০ চনৰ পৰা ১৯৯০ চনলৈ এই দুটা দশকত বহুসংখ্যক




*আমাৰ সংবিধানখননো কিয় ইমানবাৰ সংশোধন কৰা হ'ল? আমাৰ সমাজখনত বা সংবিধানখনত কিবা কেৰোণ আছে নেকি?*


DAILY ASSAM



সংশোধনী হৈছে। আনহাতে, ২য় ৰেখাচিত্ৰই আৰু এটা কাহিনী কৈছে। ১৯৭৪ চনৰ পৰা ১৯৭৬ চনলৈ এই ৩ বছৰৰ চমু কালছোৱাত ১০বাৰ সংশোধন হৈছিল। আকৌ ২০০১ চনৰ পৰা ২০০৩ লৈ মাত্ৰ ৩ বছৰত ১০ বাৰ সংবিধান সংশোধন হৈছিল। আমাৰ দেশৰ ৰাজনৈতিক ইতিহাসত এই দুয়োটা সময় উল্লেখনীয়ভাবে বেলেগ। প্ৰথম চোৱা সময়ত কংগ্ৰেছ দলৰ প্ৰভূত্ব আছিল। সংসদত কংগ্ৰেছ দলৰ বিশাল বহুমত আছিল। (লোকসভাত ৩৫২ জন সদস্য আৰু বেছিভাগ ৰাজ্যিক বিধানমণ্ডলতে সংখ্যাগৰিষ্ঠ) আনহাতে, ২০০১চনৰ পৰা ২০০৩ৰ মাজৰ সময়ছোৱা সন্মিলিত ৰাজনীতিৰ যুগ আছিল। এই সময়ছোৱাতে বেলেগ বেলেগ ৰাজ্যত বেলেগ বেলেগ দলৰ চৰকাৰ আছিল। বি.জে. পি দল আৰু ইয়াৰ বিৰোধীসকলৰ তীব্ৰ প্ৰতিদ্বণ্ডিতা এই সময়ৰ আন এটা বৈশিষ্ট্য




**ৰেখাচিত্ৰ-১**
**প্ৰতিটো দশকৰ সংশোধনী**




**ৰেখাচিত্ৰ-২**
**প্ৰতি দহটা সংশোধনৰ বাবে লোৱা বছৰসমূহ**

DAILY ASSAM



আছিল। কিন্তু তথাপি, মাত্র ৩ বছৰত ১০টাকৈ সংশোধন হৈছিল। গতিকে শাসকদলৰ সংখ্যাগৰিষ্ঠতাৰ প্ৰকৃতিৰ ওপৰতে কেৱল সংশোধনী বিষয়টো নিৰ্ভৰ কৰে।

সংশোধনৰ সংখ্যা সন্দৰ্ভত সদায়েই সমালোচনা হৈ আহিছে। কোৱা হয় যে ভাৰতৰ সংবিধানখনৰ মাত্ৰাধিক সংশোধন হৈছে। ৫৫ বছৰত ৯৩ বাৰ সংবিধান সংশোধন হোৱাটো আচহুৱা যেন লাগে। কিন্তু ওপৰৰ ৰেখাচিত্ৰ দুটাই দেখুৱায় যে কেৱল ৰাজনৈতিক বিবেচনাৰ বাবে সংশোধন কৰা নহয়। প্ৰতিটো দশকতে সংশোধন নিয়মীয়া প্ৰৱাহ হৈছে। ইয়াৰ অৰ্থ হ'ল ৰাজনীতিৰ প্ৰকৃতি আৰু ক্ষমতাত থকা দল নিৰ্বিশেষে সময়ে সময়ে সংশোধনৰ প্ৰয়োজন হৈছিল। ই মূল সংবিধানখনৰ স্বল্পতাৰ বাবে হৈছিল নেকি বাৰু? সংবিধানখন বৰ বেছি নমনীয় নেকি?

## এতিয়ালৈকে হোৱা সংশোধনৰ বিষয়বস্তু (Contents of Amendments made so far)

এতিয়ালৈকে হোৱা সংশোধন বিলাক ৩টা ভাগত ভাগ কৰিব পৰা যায়। প্ৰথম শাখাৰ সংশোধনীবিলাক মূল ব্যৱস্থাৰ কাৰিকৰী বা প্ৰশাসনীয় প্ৰকৃতিৰ আৰু ই স্পষ্টীকৰণ, ব্যাখ্যা বা গৌণ সংস্কাৰৰ নিচিনাহে আছিল। এই সংশোধন আইনগতহে, মূল দফাসমূহৰ ই বিশেষ পৰিবৰ্তন কৰা নাছিল।

১৫নং সংশোধনৰ দ্বাৰা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ অৱসৰৰ বয়স ৬০ৰ পৰা ৬২ বছৰ কৰাটো এই ক্ষেত্ৰত আঙুলিয়াব পাৰি। সেইদৰে, ৫৫নং সংশোধনৰ দ্বাৰা সৰ্বোচ্চ ন্যায়ালয় আৰু উচ্চ ন্যায়লয়ৰ ন্যায়াধীশ বা বিচাৰপতি সকলৰ বেতন বৃদ্ধি কৰা হৈছিল। বিধানমণ্ডলত অনুসূচীত জাতি আৰু জনজাতিৰ বাবে থকা আসন সংৰক্ষণৰ বিষয়টোও আমি লব পাৰো। মূল ব্যৱস্থাটোত ১০বছৰৰ বাবে এই ব্যৱস্থা কৰা হৈছিল। অৱশ্যে এই শ্ৰেণীসমূহৰ ন্যায্য প্ৰতিনিধিত্বৰ বাবে আৰু ১০ বছৰলৈ এই ব্যৱস্থা বঢ়াই দিয়া আৱশ্যক হৈছিল। গতিকে প্ৰতি দহ বছৰৰ মূৰে মূৰে আৰু ১০বছৰৰ বাবে এই সময়সীমা বঢ়াবলৈ



*হয়, আমি সংশোধনৰ সংখ্যালৈ চোৱাতকৈ পৰিৱৰ্তনৰ ফালেহে চোৱা উচিত। ৰাজনীতিৰ ছাত্ৰ হিচাবে আমি তাকে কৰা উচিত।*

DAILY ASSAM



সংশোধন কৰি অহা হৈছে। ফলত এতিয়ালৈকে ৫ বাৰ এনে সংশোধন হৈছে। কিন্তু এই সংশোধনবিলাকে মূল ব্যৱস্থাৰ একো সালসলনি ঘটোৱা নাই। এই অৰ্থত ই কাৰিকৰী সংশোধন হে মাথোঁ।

চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰপতিৰ ভূমিকা সম্বন্ধে কৰা আলোচনাৰ কথা তোমালোকৰ মনত আছেনে? মূল সংবিধানত ধৰি লোৱা হৈছিল যে আমাৰ সংসদীয় চৰকাৰত ৰাষ্ট্ৰপতিয়ে সাধাৰণতে মন্ত্ৰী পৰিষদৰ উপদেশ মানি কাৰ্য্যনিৰ্বাহ কৰিব। পিছৰ এটা সংশোধনৰ দ্বাৰা ৭৪(ক) অনুচ্ছেদ ৰাষ্ট্ৰপতিয়ে মন্ত্ৰী পৰিষদৰ পৰামৰ্শ মানি চলাটো বাধ্যতামূলক কৰা হৈছিল। (president shall act in accordance with the advice of the council of ministers) প্ৰকৃততে, এই সংশোধনে কোনো পৰিৱৰ্তন কৰা নাছিল। কিয়নো, গোটেই সময়ছোৱাত সেয়াই হৈ আছিল। এই সংশোধন ব্যাখ্যা কৰাৰ বাবে কৰাৰ দৰে হৈছিল।

*ভিন্ন ব্যাখ্যা (Differing Interpretations)*

কিছুমান সংশোধন ন্যায়পালিকা আৰু চৰকাৰে দিয়া বেলেগ বেলেগ ব্যাখ্যাৰ ফল, এইবিলাকৰ মাজত সংঘাত হোৱাৰ ফলত প্ৰকৃত গুৰুত্ব দেখুৱাবলৈ সংসদে এটা সংশোধন কৰিবলগীয়া হৈছিল। বেলেগ বেলেগ অনুষ্ঠানে সংবিধানৰ ব্যাখ্যা বেলেগ বেলেগকৈ কৰাটো (বিশেষকৈ নিজৰ ক্ষমতা সম্পৰ্কত) গণতান্ত্ৰিক ৰাজনীতিৰ এটা অংশ। বহু সময়ত, সংসদে ন্যায়িক ব্যাখ্যা মানি নোলোৱাৰ ফলত ন্যায়পালিকাৰ ৰায়দান আওকাণ কৰিবলৈ সংবিধান সংশোধন কৰিব বিচাৰিছিল। ১৯৭০ চনৰ পৰা ১৯৭৫ চনলৈ সংসদৰ প্ৰতিকূল ব্যাখ্যা দূৰ কৰিবলৈ সংসদে সঘনে সংবিধান সংশোধন কৰিছিল।

ন্যায়পালিকা বিষয়ৰ অধ্যায়ত তোমালোকে ন্যায়পালিকা আৰু সংসদৰ মতানৈক্যৰ বিষয়সমূহ পঢ়ি আহিছা। এটা হ'ল মৌলিক অধিকাৰ আৰু নিৰ্দেশক নীতিৰ সম্পৰ্কে আৰু আনটো ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ পৰিসৰ আৰু তৃতীয়টো হ'ল সংবিধান সংশোধনৰ বাবে সংসদৰ ক্ষমতাৰ পৰিসৰ।



*মোৰ সংশয় এতিয়াও দূৰ হোৱা নাই। এনেকুৱা কোনো লিখিত সংবিধান আছেনে য'ত বিভিন্ন ব্যাখ্যাৰ সুযোগ আছে? নে মানুহে সংবিধানত নিজে বিচৰা বস্তু পঢ়িবলৈ বিচাৰে?*

DAILY ASSAM



১৯৭০ চনৰ পৰা ১৯৭৫ চনৰ মাজৰ কালছোৱাত সংসদে ন্যায়পালিকাই দিয়া ব্যাখ্যা দূৰ কৰিবলৈ বাৰে বাৰে সংশোধন কৰিছিল।

ইয়াকো মনত ৰখা উচিত যে ১৯৭০ চনৰ পৰা ১৯৭৫ চনলৈকে বহুতো ৰাজনৈতিক ঘটনা ঘটিছিল আৰু আমাৰ সাংবিধানিক বিকাশৰ ইতিহাস সেই সময়ৰ ৰাজনীতিক কেন্দ্ৰ কৰিহে ভালকৈ বুজিব পাৰি। অহা বছৰ স্বাধীন ভাৰতৰ ৰাজনৈতিক ইতিহাস পঢ়িলে তোমালোকে এই বিষয়ে ভালকৈ জানিব পাৰিবা।

*ৰাজনৈতিক ঐক্যমতৰ জৰিয়তে সংশোধন (Amendments through Political Consensus)*

তৃতীয়তে, ৰাজনৈতিক দলবিলাকৰ সহমতৰ ফলত বহু সংখ্যক সংশোধন হৈছে। কব পাৰি যে এই সহমতৰদ্বাৰা প্ৰচলিত ৰাজনৈতিক দৰ্শন আৰু সমাজৰ আশা আকাংঙ্খা প্ৰতিফলিত কৰিবলৈ কিছুমান পৰিবৰ্তনৰ প্ৰয়োজন হৈছিল। আচলতে, ১৯৮৪ চনৰ পৰৱৰ্তী বেছিভাগ সংশোধনেই এই ধাৰাটোৰ উদাহৰণ। সন্মিলিত চৰকাৰ থকা সত্ত্বেও এই সময়ছোৱাত বহু সংশোধন হোৱাৰ বিশেষত্বৰ বিষয়ে ওপৰত আমি কৰা প্ৰশ্নৰ কথা মনত আছেনে বাৰু? তাৰ কাৰণ হ'ল এই সংশোধনৰ বেছিভাগেই কিছুমান বিষয়ত সৃষ্টি হোৱা সহমতৰ ওপৰত ভিত্তি কৰি হৈছিল।



*তাৰমানে, কিছুমান বিষয়ত ৰাজনীতিকসকল একমত হয়! আৰু তথাপি তেওঁলোকে সহমত প্ৰকাশ কৰা বিষয়ৰ অৰ্থক লৈ তেওঁলোকৰ মাজত বিবাদৰ সৃষ্টি হয়।*

(৫২তম আৰু ৯১তম) বিষয়ক সংশোধনৰ বাহিৰেও এই সংশোধন সমূহৰ ভিতৰত ভোটদানৰ নিম্নতম বয়স ২১ ৰ পৰা ১৮ বছৰলৈ হ্ৰাস কৰাটোও আছিল। এই সময় ছোৱাতে, চাকৰি আৰু নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত আসন সংৰক্ষণৰ পৰিসৰ বৃদ্ধি কৰিবলৈ কিছুমান সংশোধন হৈছিল।১৯৯২-৯৩ৰ পিছত, এই ব্যৱস্থাসমূহৰ ওপৰত সমগ্ৰ দেশতে প্ৰায় সহমত হৈছিল আৰু সেইবাবে বিশেষ অসুবিধা নোহোৱাকৈ এই সংশোধনী ব্যৱস্থাসমূহ গৃহীত হৈছিল। (৭৭, ৮১ আৰু ৮২ নং সংশোধন)

DAILY ASSAM



*বিতৰ্কিত সংশোধন (Controversial Amendments)*

ইমান পৰে আমি কৰা আলোচনাই এই ধাৰণাৰ সৃষ্টি কৰিব নালাগে যে সংবিধান সংশোধনৰ ক্ষেত্ৰত কেতিয়াও কোনো বিতৰ্ক হোৱা নাই। প্ৰকৃততে, ১৯৭০ৰ পৰা ১৯৮০ ৰ সময়ছোৱাত হোৱা সংশোধন বিলাকে বহুতো আইনগত আৰু ৰাজনৈতিক বিতৰ্কৰ সূত্ৰপাত কৰিছিল। ১৯৭১ৰ পৰা ১৯৭৬ চনৰ এই সময়ছোৱাত বিৰোধী দলসমূহে এই সংশোধনবিলাকৰ মাজত শাসক দলে সংবিধানখন কুঠাৰাঘাত কৰাৰ প্ৰচেষ্টা দেখা পাইছিল। বিশেষকৈ এতিয়ালৈকে ৩৮, ৩৯আৰু ৪২ তম সংশোধনী আটাইতকৈ বিতৰ্কিত সংশোধনৰ ভিতৰত পৰে। এই তিনিটা সংশোধন ১৯৭৫ চনৰ জুন মাহৰ পৰা দেশত ঘোষণা কৰা আভ্যন্তৰীণ জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত কৰা হৈছিল। ই সংবিধানৰ বহুতো গুৰুত্বপূৰ্ণ অংশৰ মৌলিক পৰিবৰ্তন কৰিব বিচাৰিছিল।



*অৰ্থাৎ ৰাজনীতি এয়েই! মই কোৱা নাছিলোঁনে যে সংবিধান আৰু সংশোধন সম্বন্ধীয় এই গোটেই বিষয়টো ৰাজনীতিৰ লগতহে জড়িত, আইনৰ লগত নহয়।*

বিশেষকৈ ৪২ তম সংশোধনী সবিধানৰ বহুতো অংশ সামৰি কৰিব বিচৰা দেখা গৈছিল। কেশৱানন্দ গোচৰত সৰ্ব্বোচ্চ ন্যায়ালয়ে দিয়া ৰায় ই ওফৰাই পেলাব খুজিছিল। আনকি লোকসভাৰ কাৰ্য্যকালো ৫ বছৰৰ পৰা ৬ বছৰলৈ বৃদ্ধি কৰা হৈছিল। অধিকাৰ সম্বন্ধীয় অধ্যায়টোত তোমালোকে মৌলিক কৰ্তব্য সম্বন্ধে পঢ়িছা। এই সংবিধান সংশোধনী আইনৰ দ্বাৰা তাক অন্তৰ্ভূক্ত কৰা হৈছিল। ৪২ তম সংবিধান সংশোধনীৰ দ্বাৰা ন্যায়পালিকাৰ পৰীক্ষণ ক্ষমতাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। সেই সময়ত কোৱা হৈছিল যে এই সংশোধনত প্ৰকৃততে মূল সংবিধানখনৰ বহু অংশ পুনৰ লিখাৰ দৰেই হৈছিল। এই সংশোধনৰ দ্বাৰা প্ৰস্তাৱনা, সংবিধানৰ ৭ ম অনুসূচী আৰু ৫৩ নং অনুচ্ছেদৰ পৰিবৰ্তন কৰা হৈছিল বুলি জানানে? সংসদত এই সংশোধন গৃহীত হোৱাৰ সময়ত বিৰোধী দলৰ বহুতো সাংসদ কাৰাগাৰত বন্দী হৈ আছিল। এনে প্ৰেক্ষাপটত ১৯৭৭চনত নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু শাসকীয় কংগ্ৰেছ দল পৰাজিত হৈছিল। এই বিতৰ্কিত সংশোধনসমূহ পুনৰ বিবেচনা কৰা উচিত বুলি ভাবি নতুন চৰকাৰে ৪৩ আৰু ৪৪নং

DAILY ASSAM



সংবিধান সংশোধনীৰ দ্বাৰা, ৩৮, ৩৯ আৰু ৪২ তম সংশোধনীৰ দ্বাৰা প্ৰভাবিত বেচিভাগ পৰিবৰ্তন নাকচ কৰি দিছিল। এই সংশোধনসমূহৰ দ্বাৰা সাংবিধানিক ভাৰসাম্য পুনৰুদ্ধাৰ কৰা হৈছিল।



*কাৰ্য্যাৱলী*

শিক্ষাৰ অধিকাৰ সম্পৰ্কীয় সংশোধনটো বিচাৰি উলিওৱা। এই সংশোধনীৰ গুৰুত্ব তুমি কি বুলি ভাবা?

## সংবিধানৰ বিকাশ আৰু মূল গাঁথনি (Basic Structure and Evolution of the Constitution)

ভাৰতীয় সংবিধানৰ ক্ৰমবিকাশত দীৰ্ঘম্যাদী প্ৰভাৱ পেলোৱা এটা বিষয় হ'ল সংবিধানৰ মূল গাঁথনিৰ তত্ব। তুমি ইতিমধ্যে জানিব পাৰিছা যে বিখ্যাত কেশৱানন্দ ভাৰতী গোচৰৰ দ্বাৰা ন্যায়পালিকাই এই সূত্ৰ আগবঢ়াইছিল। এই ৰায়দানে তলত দিয়া ধৰণে সংবিধানৰ ক্ৰমবিকাশত অৰিহণা যোগাইছে।

- ই সংসদৰ সংশোধনী ক্ষমতাৰ ওপৰত নিৰ্দিষ্ট সীমা আৰোপ কৰিছে। ই কৈছে যে সংবিধানৰ মূল গাঁথনি কোনো সংশোধনৰ দ্বাৰা ভঙ্গ কৰিব নোৱাৰিব।
- ই সংসদক সংবিধানৰ যিকোনো আৰু সকলো অংশ (এই সীমাৰ ভিতৰত) সংশোধনৰ অনুমতি দিছে, আৰু
- কোনো সংশোধনে মূল গাঁথনি ভঙ্গ কৰিছে নেকি আৰু মূল গাঁথনি নো কি তাক নিৰ্ধাৰণ কৰাৰ চূড়ান্ত ক্ষমতা ন্যায়পালিকাক দিছে।

উচ্চতম ন্যায়ালয়ে ১৯৭৩ চনত কেশৱানন্দ গোচৰৰ ৰায়দান কৰিছিল। যোৱা তিনিটা দশকত, এই সিদ্ধান্তই সাংবিধানিক সমীক্ষা নিয়ন্ত্ৰণ কৰিছে আৰু দেশৰ সকলো অনুষ্ঠানে মূল গাঁথনিৰ তত্ব মানি লৈছে। প্ৰকৃততে, মূল গাঁথনিৰ তত্বটোৱেই জীৱন্ত সংবিধানৰ এটা উদাহৰণ। সংবিধানত এই তত্বৰ বিষয়ে কোনো উল্লেখ নাই। গতিকে, ন্যায়পালিকা আৰু ইয়াৰ সমীক্ষাই আনুষ্ঠানিক সংশোধন নোহোৱাকৈ সংবিধানখন বাস্তৱিকতে সংশোধন কৰিছে।



*আঃ! তাৰমানে শেষ সিদ্ধান্ত ন্যায়পালিকাই লয়! ই ন্যায়িক সুক্ৰিয়তা নেকি বাৰু?*

DAILY ASSAM



সকলো জীৱন্ত দলিলে এইদৰে তৰ্ক বিতৰ্ক, প্ৰতিযোগিতা আৰু বাস্তৱিক ৰাজনীতিৰ দ্বাৰা বিকাশ লাভ কৰে। ১৯৭৩ চনৰ পৰা বহুতো গোচৰত আদালতে এই মূল গাঁথনি তত্ব ব্যাখ্যা কৰিছে আৰু ভাৰতৰ সংবিধানখনৰ মূল গাঁথনিৰ উপাদানৰ উদাহৰণ দিছে। এফালৰ পৰা চাবলৈ গলে, মূল গাথনি তত্বই অনমনীয়তা আৰু নমনীয়তাৰ মাজৰ ভাৰসাম্য আৰু দৃঢ় কৰিছে। ই দৃঢ় প্ৰকৃতিটোত গুৰুত্ব দিছে আনহাতে বাকীখিনিও সংশোধনীৰ অধীনলৈ আনি ই সংশোধনী প্ৰক্ৰিয়াৰ সহজ বা নমনীয় প্ৰকৃতিটোতো গুৰুত্ব দিছে।

**সংবিধানৰ পুনৰীক্ষণ** (Review of the Constitution)
নব্বৈৰ দশকৰ শেষৰ ফালে, সমগ্ৰ সংবিধানখন পুনৰীক্ষণ (review) কৰিবলৈ চেষ্টা কৰা হৈছিল। ভাৰত চৰকাৰে ২০০০ চনত উচ্চতম ন্যায়ালয়ৰ অবসৰপ্ৰাপ্ত বিচাৰপতি ন্যায়াধীশ ভেকটাচালায়াৰ সভাপতিত্বত সংবিধান পুনৰীক্ষণ (review) কৰিবলৈ এখন আয়োগ গঠন কৰি দিছিল। বিৰোধী দলসমূহ আৰু আন বহুতো সংগঠনে এই আয়োগখন বৰ্জন কৰিছিল। এই আয়োগখনক বহুতো ৰাজনৈতিক বিতৰ্কই আবৰি ৰাখিছিল যদিও আয়োগে মূল গাঁথনি তত্বটোত খামুচি আছিল আৰু সংবিধানৰ মূল গাঁথনি ব্যাহত কৰিব পৰা কোনো পৰামৰ্শ দিয়া নাছিল। ই আমাৰ সংবিধানৰ মূল গাঁথনি তত্বৰ তাৎপৰ্য্য দেখুৱাইছে।



*এই সকলোবোৰ ভুল। প্ৰথমতে তেওঁলোকে ক'লে যে সংবিধান সংশোধনৰ বাবে সৰ্বসম্মতি লাগে। এতিয়া আমি দেখিছোঁ যে ন্যায়াধীশেও সংবিধানৰ সম্পূৰ্ণ অৰ্থটোকেই সলনি কৰি পেলায়।*

ন্যায়িক সমীক্ষাই কিদৰে সংবিধান সম্পৰ্কে থকা আমাৰ জ্ঞান সলনি কৰিছে তাৰ আৰু বহুতো উদাহৰণ আছে। সৰ্ব্বোচ্চ ন্যায়ালয়ৰ বহুতো সিদ্ধান্তত কোৱা হৈছিল যে কৰ্মস্থলী আৰু শৈক্ষিক প্ৰতিষ্ঠানত সৰ্বমুঠ আসনৰ ৫০ শতাংশতকৈ বেছি সংৰক্ষণ কৰিব নোৱাৰি। সেইদৰে, অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সৰ্বোচ্চ ন্যায়ালয়ে মুলগাঁথনিৰ ধাৰণাৰ সূত্ৰপাত ঘটায় আৰু ৰায়দান কৰে যে এই শ্ৰেণীভূক্ত লোকে অন্য সংৰক্ষণৰ সুবিধা ভোগ কৰিব নোৱাৰিব। একেধৰণে, শিক্ষাৰ

DAILY ASSAM



অধিকাৰ, জীৱন ধাৰণৰ আৰু স্বাধীনতাৰ অধিকাৰ আৰু সংখ্যালঘূৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ আদি ব্যৱস্থাৰ (provision) ব্যাখ্যাৰ দ্বাৰা ন্যায়পালিকাই অনানুষ্ঠানিক সংশোধনত অৰিহনা যোগাইছে। ন্যায়ালয়ে ৰায়দানৰ দ্বাৰা কেনেকৈ সংবিধানৰ ক্ৰমবিকাশত অৰিহণা যোগায় এইবোৰ তাৰেই উদাহৰণ।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ কোৱা ঃ

- মূলগাঁথনি ৰায়দানৰ পিছত এতিয়া আৰু সংসদৰ সংবিধান সংশোধন কৰাৰ ক্ষমতা নাই।
- উচ্চতম ন্যায়ালয়ে আমাৰ সংবিধানৰ মূল গাঁথনিৰ এখন স্পষ্ট তালিকা দিছে যাক সংশোধন কৰিব নোৱাৰি।
- কোনো সংশোধনে মূল গাঁথনি ভঙ্গ কৰিছে নে নাই ন্যায়পালিকাই সেইটো নিৰ্ধাৰণ কৰাৰ ক্ষমতা আছে।
- কেশৱানন্দ ভাৰতী গোচৰৰ ৰায়টোৱে সংবিধান সংশোধন বিষয়ত সংসদৰ ক্ষমতা স্পষ্ট সীমা নিৰ্ধাৰণ কৰি দিছে।

## জীৱন্ত দলিল হিচাবে সংবিধান (Constitution as a Living Document)

আমি আমাৰ সংবিধানখনক এক জীৱন্ত দলিল বুলি বৰ্ণনা কৰিছো। তাৰ অৰ্থ কি?

এজন জীৱন্ত মানুহৰ দৰে, এই দলিল এ সময়ে সময়ে উদ্ভৱ হোৱা পৰিস্থিতি আৰু পৰিবেশৰ লগত সঙ্গতি ৰাখি আহিছে। প্ৰকৃততে, আমি সংবিধানৰ স্থায়ীত্ব সম্বন্ধে প্ৰথমতেই সোধা সাঁথৰৰ ইয়েই উত্তৰ। গতিশীল, ব্যাখ্যা কৰিব পৰা আৰু পৰিবৰ্তিত পৰিস্থিতিত খাপ খাব পৰা হোৱা বাবেই সমাজত হোৱা ইমানবোৰ পৰিবৰ্তনৰ পিছতো সংবিধানখনে সফলতাৰে কাৰ্য্যনিৰ্বাহ কৰি আছে। ইয়েই গণতান্ত্ৰিক সংবিধানৰ প্ৰমাণাংক্ষ গণতন্ত্ৰত সময়ে সময়ে অভ্যাস আৰু ধাৰাণাৰ সৃষ্টি হয় আৰু সেই মতে সমাজত পৰীক্ষা নিৰীক্ষা চলে। গণতন্ত্ৰক সুৰক্ষা দিব পৰা অথচ নতুন নতুন অনুশীলন বিকাশ হ'বলৈ দিয়া সংবিধান স্থায়ী হোৱাই নহয় নাগৰিকৰ পৰা শ্ৰদ্ধালাভ কৰিবলৈকো সক্ষম হয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল, সংবিধানখনে আত্মসুৰক্ষা আৰু গণতান্ত্ৰিক সুৰক্ষা দিব পাৰিছেনে?

DAILY ASSAM



যোৱা ৫৫ বছৰত দেশৰ ৰাজনীতি আৰু সাংবিধানিক বিকাশত কিছুমান সংকটময় পৰিস্থিতিৰ সৃষ্টি হৈছে। এই অধ্যায়ত তেনে কিছুমান বিষয়ৰ চমু উল্লেখ আমি ইতিমধ্যে দাঙি ধৰিছোঁ। সাংবিধানিক আইনগত বিষয়ত ১৯৫০ চনৰে পৰা বাৰে বাৰে উদ্ভৱ হোৱা আটাইতকৈ গভীৰ প্ৰশ্নটো হৈছে সংসদীয় শ্ৰেষ্ঠত্বক লৈ। সংসদীয় গণতন্ত্ৰত, সংসদে জনসাধাৰণক প্ৰতিনিধিত্ব কৰে আৰু সেই বাবে কাৰ্য্যপালিকা আৰু ন্যায়পালিকা দুয়োটাতে ইয়াৰ প্ৰাধান্য থাকিব বুলি আশা কৰা হয়। একে সময়তে, সংবিধানে চৰকাৰৰ আন অঙ্গসমূহকো ক্ষমতা দিছে। গতিকে এই আধাৰৰ মাজতে সংসদৰ শ্ৰেষ্টত্ব প্ৰতিপন্ন হ'ব লাগিব। গণতন্ত্ৰ মানে কেৱল ভোট আৰু গণপ্ৰতিনিধিত্বই নহয়। ই আইনৰ শাসনৰ নীতিকো বুজায়। অনুষ্ঠান সমূহৰ বিকাশৰ বাবে যিদৰে গণতন্ত্ৰৰ প্ৰয়োজন এই অনুষ্ঠানসমূহৰ কাৰ্য্যনিৰ্বাহৰ বাবেও তেনেদৰে প্ৰয়োজন যে সকলো ৰাজনৈতিক অনুষ্ঠান জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব আৰু অনুষ্ঠানসমূহৰ পাৰস্পৰিক দায়বদ্ধতা থকাৰ লগতে ইটোৱে সিটোৰ লগত সামঞ্জস্য ৰাখি চলিব লাগিব।



*মই এইটো পাইছো। এইটো দেখা বা ভাবি চোৱাৰ নিচিনা অথবা এইটো এটা টনা-আজোৰাৰ খেল নেকি?*

## ন্যায়পালিকাৰ অৱদান (Contribution of the Judiciary )

ন্যায়পালিকা আৰু সংসদৰ মাজত হোৱা বিতৰ্কৰ কালছোৱাত সংসদে ভাবিছিল যে দুখীয়া পিছপৰা আৰু দৰিদ্ৰ জনসাধাৰণৰ স্বাৰ্থৰক্ষাৰ বাবে আইন প্ৰণয়ন (আৰু সংশোধন কৰা) ইয়াৰ দায়িত্ব। ন্যায়পালিকাই আকোৰগোজ কৈ লাগিছিল যে সাংবিধানিক গাঁথনিৰ ভিতৰতে এই সকলোবোৰ হ'ব লাগিব আৰু জনমুখী ব্যৱস্থাসমূহে আইনগত পদ্ধতি অতিক্ৰম কৰিব নালাগিব। কিয়নো সজ উদ্দেশ্যেৰে আইন অতিক্ৰম কৰিলেও ক্ষমতাৰ অধিকাৰীসকলে স্বেচ্ছাচাৰিভাবে কাম কৰাৰ ই এটা অজুহাত হ'ব পাৰে আৰু গণতন্ত্ৰই যেনেকৈ জনসাধাৰণৰ মঙ্গলৰ কথা কয় তেনেকৈ ই ক্ষমতাৰ স্বেচ্ছাচাৰিতাক বাধাও দিয়ে। এই উৎকণ্ঠাবোৰ

DAILY ASSAM



নোহোৱা কৰাতেই ভাৰতীয় সংবিধানৰ সফলতা নিৰ্ভৰ কৰিছে। বিখ্যাত কেশবানন্দ গোচৰৰ ৰায়দানত ন্যায়পালিকাই সংবিধানৰ আক্ষৰিক অৰ্থতকৈ ইয়াৰ মূল বক্তব্যৰ প্ৰতি অধিক গুৰুত্ব দি এই সমস্যাৰ পৰা উদ্ধাৰ পোৱাৰ এটা উপায় উলিয়াইছিল। সংবিধানখন পঢ়িলে তুমি সংবিধানত মূল গাঁথনিৰ কোনো উল্লেখ নাপাবা। সংবিধানে কতো কোৱা নাই যে অমুক অংশ মূল গাঁথনিৰ অন্তৰ্গত। এই অৰ্থত, মূল গাঁথনি তত্বটো ন্যায়পালিকাৰ আৱিষ্কাৰ। কতো নথকা এনে এটা বস্তু ই কেনেকৈ আবিষ্কাৰ কৰিলে? আকৌ যোৱা ৩টা দশকত আন সকলো অনুষ্ঠানে ইয়াক কেনেকৈ মানি ল'লে?

তাতেই আখৰ আৰু আমাৰ আত্মাৰ (letter and spirit) পাৰ্থক্যটো লুকাই আছে। আদালতৰ সিদ্ধান্ত অনুসৰি কোনো পাঠ বা দলিল পঢ়িলে আমি তাৰ আৰঁত থকা উদ্দেশ্যক শ্ৰদ্ধা কৰিব লাগিব। যি সামাজিক পৰিস্থিতি আৰু আকাঙ্খাৰে সেই আইন বা দলিল ৰচনা কৰা হৈছিল সি কেৱল আইনৰ পাঠ নহয়, তাতকৈ অধিক গুৰুত্বপূৰ্ণ। আদালতে মৌলিক গাঁথনি এনে ধৰণে বিবেচনা কৰিছিল যেন তাৰ অবিহনে সংবিধানখনৰ কল্পনাও কৰিব নোৱাৰি। এয়া সংবিধানখনৰ আখৰ আৰু আত্মাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ এক প্ৰচেষ্টা।



*অৱশ্যে যদিহে অধিকাৰ আৰু নিৰ্বাচন নাথাকে, সংবিধানৰ বিশেষ কোনো অৰ্থ নাথাকিব। আৰু যদিহে কল্যাণকামী নহয়, নিৰ্বাচন আৰু অধিকাৰৰ কোনো মানে নাথাকিব। সংবিধানৰ আত্মা (spirit) বুলিলে আমি তাকে বুজোনে?*

## ৰাজনৈতিক নেতৃত্বৰ পৰিপক্কতা (Maturity of the Political Leadership)

ওপৰৰ দফাটোত আমি ন্যায়পালিকাৰ ভূমিকা সম্বন্ধে কৰা আলোচনাই আৰু এটা তথ্য উদঙাই দেখুৱায়। ১৯৬৭ আৰু ১৯৭৩ চনৰ মাজত হোৱা তীব্ৰ বিতৰ্কৰ পৰিপ্ৰেক্ষিতত সংসদ আৰু কাৰ্য্যপালিকাইও উপলব্ধি কৰিছিল যে এটা সুসম আৰু দীৰ্ঘম্যাদী দৃষ্টিভঙ্গীৰ আৱশ্যক আছিল। কেশৱানন্দ গোচৰত সৰ্বোচ্চ ন্যায়ালয়ে দিয়া ৰায়দানৰ পাচত আদালতৰ ৰায় পুনৰ বিবেচনা কৰিবলৈ কিছু প্ৰচেষ্টা চলোৱা হৈছিল। এইবোৰ ব্যৰ্থ হোৱাৰ পাচত, ৪২ তম সংশোধনীৰ দ্বাৰা সংসদীয় শ্ৰেষ্টত্ব প্ৰতিপন্ন কৰা হ'ল। কিন্তু ১৯৮০ চনত মিনাৰ্ভা মিল গোচৰত আদালতে

DAILY ASSAM





আমি ইয়াক অস্বীকাৰ কৰিলে নহব যে ৰাজনৈতিক অপৰিপক্কতাৰো বহুতো উদাহৰণ আছে। তাৰ তালিকা এখন যুগুতোৱা উচিত হ'বনে?

ইয়াৰ আগৰ অৱস্থান পুনৰাবৃত্তি কৰিলে। গতিকে, কেশবানন্দ গোচৰৰ ৰায়দানৰ তিনি দশকৰ পাচতো আমাৰ সাংবিধানিক ব্যাখ্যাত এই ৰায়দানে প্ৰভাৱ পেলাই আছে। ৰাজনৈতিক দল, ৰাজনৈতিক নেতা, চৰকাৰ আৰু সংসদে অলঙ্ঘনীয় মূল গাঁথনিৰ ধাৰণা মানি লৈছিল। আনকি যেতিয়া সংবিধানৰ পুনৰীক্ষণৰ কথা ওলাইছিল, তেতিয়া মূল গাঁথনি তত্বই সৃষ্টি কৰা সীমা ই অতিক্ৰম কৰিব পৰা নাছিল।

সংবিধানখন ৰচনা কৰাৰ সময়ত আমাৰ দেশৰ নেতা আৰু জনসাধাৰণে ভাৰত সম্পৰ্কে উমৈহতীয়া সপোন দেখিছিল। স্বাধীনতাৰ সময়ত নেহৰুৰ বিখ্যাত ভাষণত এই সপোনক নিয়তিৰ লগত মিলনৰ সপোন বুলি (vision tryst with destiny) বৰ্ণনা কৰা হৈছিল। সংবিধান সভাতো সকলো নেতাই এই সপোনৰ কথা উল্লেখ কৰিছিল। ব্যক্তিৰ মৰ্য্যাদা আৰু স্বাধীনতা, সামাজিক আৰু অৰ্থনৈতিক সমতা, মানুহৰ কল্যাণ ঐক্যৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা জাতীয় সংহতি। এই সপোন শেষ হৈ যোৱা নাই। জনসাধাৰণ আৰু নেতা নিৰ্বিশেষে এই সপোন জীয়াই ৰাখিছে আৰু ইয়াক সম্পন্ন কৰিবলৈ আশা পুহি ৰাখিছে। গতিকে, এই সপোনৰ ভিত্তিত গঢ়ি উঠা সংবিধানখন আধা শতিকাৰ পিছতো শ্ৰদ্ধা আৰু কৰ্তৃত্বৰ বিষয় হৈ আছে। আমাৰ ৰাজহুৱা ধাৰণা নিয়ন্ত্ৰণ কৰি ৰখা মূল প্ৰমূল্য সমূহ একেদৰে আছে।

আনকি সংবিধান সভাৰ ভিতৰতো কিছুমান সদস্যই অনুভৱ কৰিছিল যে এই সংবিধানখন ভাৰতীয় পৰিস্থিতিৰ লগত খাপ নাখাব। "যিবিলাক আদৰ্শৰ ভিত্তিত এই সংবিধানখন ৰচনা কৰা হৈছে তাৰ সংবিধানৰ মূল বক্তব্যৰ লগত প্ৰকাশিত সম্বন্ধ (?) (manifest) নাই ........ এই সংবিধানখন ........ উপযোগী নহব আৰু কাৰ্য্যকৰী কৰাৰ কিছুদিন পিছতেই অকামিলা হৈ পৰিব।

লক্ষ্মীনাৰায়ণ চাহু, CAD, Vol XL. P 613

DAILY ASSAM



## সামৰণি

মূল গাঁথনি কিহে গঠন কৰে সেই বিষয়ে এতিয়াও বিতৰ্কৰ অৱকাশ থাকিব পাৰে। আমি মনত ৰাখিব লাগিব যে গণতন্ত্ৰত ৰাজনীতি বিতৰ্ক আৰু মতভেদেৰে পৰিপূৰ্ণ হোৱাটোৱেই স্বাভাৱিক। সি হ'ল বৈচিত্ৰ্য, সজীৱতা আৰু মুক্ততাৰ প্ৰতীক। গণতন্ত্ৰত বিতৰ্কক আদৰি লোৱা হয়। একে সময়তে, আমাৰ ৰাজনৈতিক দলসমূহ আৰু নেতৃত্বই এই বিতৰ্কসমূহ সীমিত কৰাত পৰিপক্কতা দেখুৱাই আহিছে। কিয়নো, ৰাজনীতি মানে এৰা ধৰা আৰু আদান প্ৰদান। চৰম স্থান তাত্বিকভাবে সম্পূৰ্ণ শুদ্ধ আৰু আদৰ্শগতভাবে খুব আকৰ্ষক হ'ব পাৰে, কিন্তু ৰাজনীতিয়ে বিচাৰে যে প্ৰতিজনেই তেওঁলোকৰ চূড়ান্ত দৃষ্টিভঙ্গী এক উমৈহতীয়া নিম্নতম ভেঁটিত উপনীত হব লাগিব। তেতিয়াহে গণতান্ত্ৰিক ৰাজনীতি সম্ভৱ হ'ব পাৰে। ভাৰতৰ ৰাজনীতিবিদ আৰু জনসাধাৰণে এই কৌশলবোৰ অভ্যাস কৰি আহিছে। ফলস্বৰূপে গণতান্ত্ৰিক সংবিধানৰ অভিজ্ঞতা যথেষ্ট সফলকাম হৈছে। চৰকাৰৰ বিভিন্ন অঙ্গৰ মাজৰ আনবিলাকতকৈ নিজৰ শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিবলৈ প্ৰতিযোগিতা থাকিবই। কেনেকৈ জনসাধাৰণৰ কল্যাণ হব সেই বিষয়ত তেওঁলোক সদায় বিবাদত লিপ্ত হব। কিন্তু শেষত, চূড়ান্ত কৰ্তৃত্ব ৰাইজৰ হাততে থাকে। জনসাধাৰণ, তেওঁলোকৰ স্বাধীনতা আৰু তেওঁলোকৰ কল্যাণেই গণতন্ত্ৰৰ উদ্দেশ্য নিৰ্ধাৰণ কৰে আৰু গণতান্ত্ৰিক ৰাজনীতিৰো ই ফলশ্ৰুতি।

---

## অনুশীলনী

১। তলৰ উক্তিসমূহৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

(ক) এখন সংবিধান সময়ে সময়ে সংশোধন কৰিবলগীয়া হয় কাৰণ,

✓ পৰিস্থিতি সলনি হয় আৰু সংবিধানৰ উপযুক্ত পৰিবৰ্তন প্ৰয়োজন হয়।

✓ কোনো এক সময়ত লিখা এখন দলিল কিছুদিনৰ পিছত পুৰণিকলীয়া হৈ পৰে।

✓ প্ৰতিটো প্ৰজন্মৰে নিজৰ পছন্দৰ এখন সংবিধান থকা উচিত।

✓ ই প্ৰচলিত চৰকাৰৰ দৰ্শন প্ৰতিফলিত কৰিব পাৰিব লাগে।

DAILY ASSAM



২। তলৰ উক্তিবোৰ সচাঁ নে মিছা লিখা।

(ক) ৰাষ্ট্ৰপতিয়ে সংশোধনী বিধেয়ক এখন সংসদৰ পুনৰ বিবেচনাৰ বাবে ঘূৰাই পঠাব নোৱাৰে।

(খ) কেৱল নিৰ্বাচিত প্ৰতিনিধিৰহে সংবিধান সংশোধন কৰাৰ ক্ষমতা আছে।

(গ) ন্যায়পালিকাই সংবিধান সংশোধনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব নোৱাৰে কিন্তু ইয়াক অন্য ধৰণে ব্যাখ্যা কৰি সফলতাৰে সাংবিধানিক পৰিবৰ্তন কৰিব পাৰে।

(ঘ) সংসদে সংবিধানৰ যি কোনো শাখাৰ সংশোধন কৰিব পাৰে।

৩। ভাৰতীয় সংবিধানৰ সংশোধনত তলৰ কোনটো জড়িত হৈ আছে? ই কেনেকৈ জড়িত হৈ আছে?

(ক) ভোটদাতাসকল।

(খ) ভাৰতৰ ৰাষ্ট্ৰপতি।

(গ) ৰাজ্যিক বিধানমণ্ডলসমূহ।

(ঘ) সংসদ।

(ঙ) ৰাজ্যপালসকল।

(চ) ন্যায়পালিকা

৪। এহ আধ্যয়ত তুমি পঢ়িছা যে ৪২তম সংশোধনী এতিয়ালৈকে হোৱা সংশোধনৰ ভিতৰত আটাইতকৈ বিতৰ্কমূলক। তলৰ কোনবোৰ কাৰণ এই বিতৰ্কৰ বাবে দায়ী?

(ক) ইয়াক জাতীয় জৰুৰীকালীন অৱস্থাৰ সময়ত ৰচনা কৰা হৈছিল, আৰু সেই জৰুৰীকালীন অৱস্থাৰ ঘোষণাটোৰেই বিতৰ্কমূলক আছিল।

(খ) বিশেষ সংখ্যাগৰিষ্ঠৰ সমৰ্থন নোহোৱাকৈয়ে ইয়াক ৰচনা কৰা হৈছিল।

(গ) ৰাজ্যিক বিধানমণ্ডলৰ অনুমোদন নোহোৱাকৈ ইয়াক ৰচনা কৰা হৈছিল।

(ঘ) ইয়াৰ কিছুমান বিতৰ্কিত ব্যৱস্থা আছিল।

৫। বিভিন্ন সংশোধন সম্বন্ধে বিধানমণ্ডল আৰু ন্যায়পালিকাৰ সংঘাতৰ বাবে তলৰ কোনটো যুক্তিসংগত ব্যাখ্যা নহয়?

DAILY ASSAM



(ক) সংবিধান বেলেগ বেলেগ ধৰণে ব্যাখ্যা কৰা সম্ভৱ।

(খ) গণতন্ত্ৰত, বিতৰ্ক আৰু পাৰ্থক্য স্বাভাৱিক কথা।

(গ) সংবিধানে কিছুমান নিয়ম আৰু নীতিক বেছি গুৰুত্ব দিছে আৰু বিশেষ সংখ্যাগৰিষ্টতাৰে সংশোধন কৰিবলৈ অনুমতি দিছে।

(ঘ) বিধানমণ্ডলৰ ওপৰত নাগৰিকৰ অধিকাৰ ৰক্ষা কৰাৰ দায়িত্ব অৰ্পন কৰিব নোৱাৰি।

(ঙ) ন্যায়পালিকাই কোনো এক বিশেষ আইনৰ সাংবিধানিকতাহে নিৰ্ধাৰণ কৰিব পাৰে; ইয়াৰ প্ৰয়োজন সম্পৰ্কে ৰাজনৈতিক আলোচনা মীমাংসা কৰিব নোৱাৰে।

৬। মূল গাঁথনিৰ তত্ব সম্বন্ধে শুদ্ধ উক্তিবিলাক চিনাক্ত কৰা। অশুদ্ধ উক্তিবিলাক শুদ্ধ কৰা।

(ক) সংবিধানে মূল নীতিবোৰ আঙুলিয়াই দিয়ে।

(খ) বিধানমণ্ডলে মূল গাঁথনিৰ বাহিৰে সংবিধানৰ সকলো অংশ সংশোধন কৰিব পাৰে।

(গ) সংবিধানৰ কোনবোৰ দিশ মূল গাঁথনি বুলি কব পাৰি আৰু কোনবোৰ নোৱাৰি ন্যায়পালিকা তাৰ সংজ্ঞা দিছে।

(ঘ) এই তত্বটোৰ প্ৰথম প্ৰকাশ হৈছিল কেশৱানন্দ ভাৰতী গোচৰত আৰু পিছৰ ৰায়দান সমূহত ইয়াৰ বিষয়ে আলোচনা কৰা হৈছে।

(ঙ) এই তত্বটোৱে ন্যায়পালিকাৰ ক্ষমতা বৃদ্ধি কৰিছে আৰু বেলেগ বেলেগ ৰাজনৈতিক দল আৰু চৰকাৰৰ দ্বাৰা ই গৃহীত হৈছে।

৭। ২০০০ ৰ পৰা ২০০৩ লৈকে যে বহুতো সংশোধন হৈছিল সেই তথ্যৰ পৰা তুমি তলৰ কোনটো সিদ্ধান্তলৈ আহিবা?

(ক) এই সময়ছোৱাত কৰা সংবিধান সংশোধনীৰ ওপৰত ন্যায়পালিকাই হস্তক্ষেপ কৰা নাছিল।

(খ) এই সময়ছোৱাত এটা ৰাজনৈতিক দলৰ শক্তিশালী সংখ্যাগৰিষ্টতা আছিল।

(গ) কিছুমান সংশোধনৰ সপক্ষে জনসাধাৰণ হেচা (সজোৰ দাবী) () আছিল।

(ঘ) এই সময়ছোৱাত ৰাজনৈতিক দলবিলাকৰ মাজত প্ৰকৃত পাৰ্থক্য নাছিল।

DAILY ASSAM



(ঙ) সংশোধনীবিলাক অবিৰ্তকমূলক প্ৰকৃতিৰ আছিল আৰু সংশোধনী বিষয়ত দলবিলাকৰ এটা সহমত আছিল।

৮। সংবিধান সংশোধনৰ বাবে বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হোৱা কাৰণ ব্যাখ্যা কৰা।

৯। ভাৰতৰ সংবিধানৰ বহুতো সংশোধন ন্যায়পালিকা আৰু সংসদে দিয়া বিভিন্ন ব্যাখ্যাৰ বাবে হৈছে। উদাহৰণসহ ব্যাখ্যা কৰা।

১০। সংশোধনী ক্ষমতা যদি নিৰ্বাচিত প্ৰতিনিধিৰ হাতত থাকে, সংশোধনীবিলাকৰ বৈধতা নিৰ্ধাৰণ কৰাৰ ক্ষমতা ন্যায়পালিকাৰ হাতত থকা উচিত নহয়। তুমি একমত নে? ১০০টা শব্দৰ ভিতৰত কাৰণ দৰ্শোৱা।